**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-02-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী অন্নপূৰ্ণা দেৱী যাদৱে কালি ডিব্ৰুগড়ত জিলাখনৰ মহিলা আৰু শিশুসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰৰ বিভাগীয় বিষয়াসকলৰ সৈতে ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে দ্বিতীয় পৰ্যায়ৰ পোষণ অভিযানৰ অধীনত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু জিলাখনৰ আটাইবোৰ সক্ষম অংগনৱাড়ী কেন্দ্ৰৰ কাম-কাজৰ বিতংভাৱে পৰ্যালোচনা কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। শ্ৰীমতী যাদৱে জিলাকেইখনত মহিলা আৰু শিশুসকলৰ কল্যাণৰ বাবে কেনেধৰণৰ পদক্ষেপ লোৱা হৈছে সেই বিষয়ে তথ্য বিচাৰে। তদুপৰি মিছন শক্তি আৰু মিছন বাৎসল্যৰ অধীনত মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ আঁচনিসমূহৰ জৰিয়তে কেনেধৰণৰ কাম-কাজ সম্পন্ন হৈছে সেই বিষয়েও মন্ত্ৰীগৰাকীয়ে জানিবলৈ বিচাৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলাকেইখনত বাল্য বিবাহ ৰোধ কৰাৰ বাবে সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

oooooo

অসম আৰু অসমীয়াৰ অস্তিত্ব ধৰি ৰাখিবলৈ অসম সাহিত্য সভাৰ বহু কাম কৰিবলগীয়া আছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ত তেওঁৰ বাসভৱনত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ সৈতে হোৱা বিশেষ আলোচনাত এই অভিমত প্ৰকাশ কৰে। অসম সাহিত্য সভাৰ পূৰ্বৰ গৌৰৱ ঘূৰাই অনাত গুৰুত্ব দি মন্ত্ৰীগৰাকীয়ে কয়, যে অসমীয়া মানুহক কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে তৰুণ প্ৰজন্মক সাহিত্য সভাৰ প্ৰতি উৎসাহী কৰি তুলিব লাগিব। তেওঁ ধ্ৰুপদী ভাষাৰ মৰ্যাদাৰে স্বীকৃত অসমীয়া ভাষাক বিশ্বৰ প্ৰেক্ষাপটত জিলিকাই তোলাৰ বাবে অসম সাহিত্য সভাৰ জড়িয়তে সবল ভূমিকা ল'বলৈ ড০ গোস্বামীক আহ্বান জনায়। অসম সাহিত্য সভাৰ উত্তৰ-পূব ভাৰতৰ ঐতিহ্য, সাংস্কৃতিক প্ৰকল্প তথা সংগ্ৰহালয় কৃষ্ণকান্ত সন্দিকৈ ভৱনত নিৰ্মাণৰ প্ৰস্তাৱ লৈ সাহিত্য সভাৰ সভাপতিগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰিছিল। এই প্ৰকল্পৰ জৰিয়তে সভাই উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিটো জাতি-জনগোষ্ঠী, নৃগোষ্ঠীয়সকলৰ ঐতিহ্যৰ সংৰক্ষণ আৰু সম্বৰ্ধন কৰাৰ বাবে ব্যৱস্থা ল'ব। ড০ গোস্বামীয়ে ১১ কোটি টকাৰ এই প্ৰকল্পৰ প্ৰাক্-কলন মন্ত্ৰীগৰাকীক অৰ্পণ কৰে। কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহত ৰাজ্যৰ তিনিগৰাকী সাহিত্যৰ কাণ্ডাৰীৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবেও তেওঁ মন্ত্ৰী সোণোৱালক অনুৰোধ জনায়।

oooooo

কেন্দ্ৰীয় চৰকাৰৰ নেচনেল কাউন্সিল অব টিছাৰ্চ এডুকেচনে শিৱসাগ জিলাৰ দুখন মহাবিদ্যালয়ক বিশেষ স্বীকৃতি প্ৰদান কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ অনুসৰি এন চি টি ইৰ অধীনত শিৱসাগৰ বাণিজ্য মহাবিদ্যালয় আৰু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ক দ্বৈত ডিগ্ৰীৰ স্বীকৃতি প্ৰদান কৰা হৈছে। চৰকাৰে যোৱা শনিবাৰে প্ৰকাশ কৰা শিক্ষানুষ্ঠানসমূহৰ তালিকাত আন তিনিখন মহাবিদ্যালয়ে স্থান লাভ কৰিছে। সেই অনুসৰি তিয়কৰ চি কে বি মহাবিদ্যালয়, ডিগবৈ মহাবিদ্যালয় আৰু লখিমপুৰ ছোৱালী মহাবিদ্যালয়ক দ্বৈত

ডিগ্ৰীৰ স্বীকৃতি প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে অসমৰ প্ৰায় ৩৫০ খন মহাবিদ্যালয়ৰ ভিতৰত ১৩ খন শিক্ষানুষ্ঠানে এই দ্বৈত ডিগ্ৰীৰ স্বীকৃতি লাভ কৰিছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নতুনকৈ দ্বৈত ডিগ্ৰীৰ স্বীকৃতি লাভ কৰা মহাবিদ্যালয়কেইখনক অভিনন্দন জনাইছে।

০০০০০০

ভাৰতীয় ইতিহাস সংকলন সমিতিৰ অসম ৰাজ্যিক শাখাৰ ৩৫ সংখ্যক অভিৱৰ্তন শোণিতপুৰ জিলা সমিতিৰ আমন্ত্ৰণমৰ্মে অহা ২২ আৰু ২৩ ফেব্ৰুৱাৰীত আয়োজন কৰা হৈছে। বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত এই অভিৱৰ্তন আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ সহযোগত আয়োজিত ভক্তি কাব্যৰ ঐতিহাসিক আৰু সাংস্কৃতিক দৃষ্টিকোণ শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনাচক্ৰত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বহিঃৰাজ্যৰ ভালেসংখ্যক চিন্তাবিদে অংশগ্ৰহণ কৰিব। ২২ ফেব্ৰুৱাৰীৰ উদ্বোধনী অনুষ্ঠানত অখিল ভাৰতীয় সংকলন যোজনাৰ ৰাষ্ট্ৰীয় সংগঠন সচিব ড০ বালমুকুন্দ পাণ্ডেৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

গোলাঘাট জিলাৰ দেৰগাঁৰৰ বগৰিয়নি গাঁৰৰ চন্দ্ৰপুৰ নামঘৰলৈ যোৱা নিশা গৰিমামণ্ডিত শ্ৰীশ্ৰী খনিকৰ পুথিভাগ পদযাত্ৰা কৰি অনা হয়। চন্দ্ৰপুৰ নামঘৰে আমন্ত্ৰণ কৰি অনা এই খনিকৰ পুথিভাগ লৈ ওৰে নিশা অঞ্চলটো নাম-কীৰ্তনেৰে মুখৰ হৈ পৰে।

০০০০০০

গুৱাহাটীৰ সৰুসজাইত অহা ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া ঝুমুইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ৰাজ্যৰ জিলাই জিলাই ব্যাপক প্ৰস্তুতি চলিছে। চৰাইদেউ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কালি এই সন্দৰ্ভত অতিৰিক্ত জিলা আয়ুক্ত শ্ৰৱণা সোণোৱালৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি অহা ২০ ফেব্ৰুৱাৰীত অংশগ্ৰহণকাৰীসকলক বাছযোগে গুৱাহাটীলৈ প্ৰেৰণ কৰা হ'ব।

তেজপুৰৰ জিলা আয়ুক্তৰ সভাকক্ষতো কালি জিলা আয়ুক্ত অংকুৰ ভৰালীৰ সভাপতিত্বত এই সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এটা ভিডিঅ' শ্বেয়াৰ কৰি এই অনুষ্ঠানৰ প্ৰস্তুতি পূৰ্ণগতিত চলি থকাৰ কথা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৭ হাজাৰ ৫০০ গৰাকী চাহ জনগোষ্ঠীৰ শিল্পীয়ে ঝুমুৰ নৃত্য পৰিৱেশন কৰিব।

০০০০০০

শিৱসাগৰৰ পিয়লি ফুকন ষ্টেডিয়ামত কালিৰে পৰা ৭০ সংখ্যক বৰদলৈ ট্ৰফীৰ উজনি অসম মণ্ডলৰ খেলসমূহ অনুষ্ঠিত হৈছে। শিৱসাগৰ ক্ৰীড়া সন্থাৰ সৌজন্যত অনুষ্ঠিত এই প্ৰতিযোগিতাত জিলা পৰ্যায়ৰ পৰা নিৰ্বাচিত শিৱসাগৰৰ ৰাজমাই ক'চিং, মাজুলীৰ ৰিভাৰাইন ক্লাব, চৰাইদেউৰ মাহমৰা নৱজ্যোতি ক্লাব, ডিব্ৰুগড়ৰ ১৯ এপিবিএন, যোৰহাটৰ ভিক্ট'ৰিয়াছ ক্লাব আৰু তিনিচুকীয়াৰ বাৰেকুৰি ক্লাবে এই মণ্ডল পৰ্যায়ৰ প্ৰতিযোগিতাত অংশ লৈছে। কালি অনুষ্ঠিত প্ৰথমখন খেলত ৰাজমাই কোচিং ভিক্ট'ৰিয়াছ ক্লাবৰ মুখামুখি হয়। এই মণ্ডল পৰ্যায়ৰ প্ৰতিযোগিতাৰ ২৩ ফেব্ৰুৱাৰীত সামৰণি পৰিব।

০০০০০০

সমাপ্ত